**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অসমৰ ৫টা বিধানসভা সমষ্টি ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰিৰ উপ-নিৰ্বাচনৰ ভোটগণনা চলি আছে।

২। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডত বিধানসভা নিৰ্বাচনৰ ভোটগণনা শান্তিপূৰ্ণভাৱে চলি আছে। মহাৰাষ্ট্ৰত শাসনত থকা বিজেপি নেতৃত্বৰ মহাজুটি মৰ্চা পুনৰ শাসনলৈ অহাৰ পথ প্ৰশস্ত হৈ উঠিছে।

৩। ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ লগতে আজি ১৩খন ৰাজ্যৰ দুটা লোকসভা সমষ্টি আৰু ৪৬টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ভোটগণনা চলি আছে।

**আৰু**

৪। আৰ্মেনিয়াৰ য়েৰেভেনত অনুষ্ঠিত বিশ্ব সামৰিক মল্লযুঁজ প্ৰতিযোগিতাৰ মহিলাৰ ৭৬ কিলোগ্ৰাম শাখাত ভাৰতৰ ঋতিকা হুদাই কালি সোণৰ পদক লাভ কৰে।

ooooo

অসমৰ ৫টা বিধানসভা সমষ্টি ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰিৰ উপ-নিৰ্বাচনৰ ভোটগণনা চলি আছে। পুৱা ৮ বজাৰ পৰা চলি থকা ভোটগণনাৰ বাবে প্ৰায় তিনিশ পঞ্চাছ গৰাকী কৰ্মচাৰীক নিযুক্ত কৰা হৈছে। ভোটগণনা কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ভোটগণনা কেন্দ্ৰসমূহত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

আমালৈ অহা শেহতীয়া খবৰ অনুসৰি বিহালী সমষ্টিত ভোটগণনা সম্পূৰ্ণ হৈছে আৰু সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাল বিজয়ী হৈছে। আমালৈ শেহতীয়াকৈ অহা দিনৰ ১ বজাৰ বাতৰি অনুসৰি চিদলী সমষ্টিত ২৮ হাজাৰ ৩৭৩ টা ভোটত বিজেপি মিত্ৰজোটৰ অংশীদাৰ ইউ পি পি এলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্ম আগবাঢ়ি আছে। নগাওঁ জিলাৰ চামগুৰি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইন ৪ হাজাৰ ৯৬৫ টা ভোটত আগবাঢ়ি আছে। বঙাইগাওঁ সমষ্টিত বিজেপি মিত্ৰজোটৰ অংশীদাৰ অসম গণপৰিষদৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰী ২৯ হাজাৰ ৭৬৫টা ভোটত আগবাঢ়ি আছে।

ooooo

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডত বিধানসভা নিৰ্বাচনৰ ভোটগণনা শান্তিপূৰ্ণভাৱে চলি আছে। মহাৰাষ্ট্ৰত শাসনত থকা বিজেপি নেতৃত্বৰ মহাজুটি মৰ্চা পুনৰ শাসনলৈ অহাৰ পথ প্ৰশস্ত হৈ উঠিছে। বৰ্তমানলৈকে পোৱা তথ্য অনুসৰি শাসনাধিস্থিত মৰ্চা বৃহৎ জয়ৰ দিশে আগবাঢ়িছে। ৰাজ্যখনৰ মুঠ ২৮৮খন বিধানসভা আসনৰ ১২৬ খনত বিজেপিয়ে ৫৪খনত শিৱসেনাৰ একনাথ সিন্দে গোট আৰু ৩৮খনত এন চি পিৰ অজিত পাৱাৰ গোটৰ প্ৰাৰ্থী আগবাঢ়ি আছে।

আনহাতে কংগ্ৰেছ মাত্ৰ ১৯ খন আসনত আগবাঢ়ি থকাৰ বিপৰীতে এন চি পিৰ শাৰদ পাৱাৰ গোট ১৩খনত, শিৱসেনাৰ উদ্ধৱ থাকৰে গোট ১৯খনত আৰু অন্যান্য দলৰ প্ৰাৰ্থী ১৯খন আসনত আগবাঢ়ি আছে।

ঝাৰখণ্ডত মুঠ ৮১ খন আসনৰ ভোটগণনা চলি আছে। শেহতীয়া তথ্য মতে শাসনত থকা জে এম এম নেতৃত্বৰ মৰ্চা, বিজেপি নেতৃত্বৰ এন ডি এতকৈ আগবাঢ়ি আছে। জে এম  এম ২৮খন, কংগ্ৰেছ ১৪খন আৰু আৰ এল ডি ৪খন আসনত আগবাঢ়ি আছে। আনহাতে বিজেপি ২৯খন, এ জে এছ ইউ  এখন আসনত আগবাঢ়ি থকাৰ বিপৰীতে অন্যান্য দলৰ প্ৰাৰ্থী ৫খন আসনত আগবাঢ়ি আছে।

ooooo

ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ লগতে আজি ১৩খন ৰাজ্যৰ দুটা লোকসভা সমষ্টি আৰু ৪৬টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ভোটগণনা চলি আছে। কেৰালাৰ ৱায়ানাড লোকসভা সমষ্টিত কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী ৱাড্ৰা বিজয়ৰ পথত আগ্ৰসৰ হৈছে। তেওঁ প্ৰতিদ্বন্দ্বী চি পি আইৰ প্ৰাৰ্থীগৰাকীতকৈ প্ৰায় আঢ়ৈলাখ ভোটত আগবাঢ়ি আছে। মহাৰাষ্ট্ৰৰ নান্দেড লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী ড০ চান্তুকৰাও মেৰটৰাও হাম্বাৰ্ডে তেওঁৰ প্ৰতিদ্বন্দ্বীগৰাকীতকৈ আগবাঢ়ি আছে।

উত্তৰ প্ৰদেশত ৯টা বিধানসভা সমষ্টিত ভোটগণনা চলি আছে। ইয়াৰে ৫টাত বিজেপিয়ে, ৩টাত সমাজবাদী পাৰ্টীয়ে আৰু এটাত এন ডি এৰ অংশীদাৰ আৰ এল ডিৰ প্ৰাৰ্থী আগবাঢ়ি আছে।

উত্তৰাখণ্ডত উপ নিৰ্বাচন হোৱা কেডাৰনাথ বিধানসভা সমষ্টিত  শাসনাধিস্থিত বিজেপি প্ৰাৰ্থী আগবাঢ়ি আছে।

বিহাৰত ৪টা বিধানসভা সমষ্টিত উপ নিৰ্বাচন অনুষ্ঠিত হৈছিল। আজিৰ ভোটগণনাত ইয়াৰে ২টা সমষ্টিত বিজেপি আৰু এটা সমষ্টিত বিজেপিৰ মিত্ৰ দল জে ডি ইউ আগবাঢ়ি আছে। আনটোত হিন্দুস্থানী আৱাম মৰ্চা (চেকুলাৰ) আগবাঢ়ি আছে। মধ্যপ্ৰদেশৰ বিজয়পুৰ আৰু বুধনি দুয়োটা সমষ্টিতে বিজেপিৰ প্ৰাৰ্থী আগবাঢ়ি আছে। চত্তিশগড়ত উপ নিৰ্বাচন হোৱা ৰায়পুৰ মহানগৰ দক্ষিণ বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী আগবাঢ়ি আছে। গুজৰাটত উপ নিৰ্বাচন হোৱা একমাত্ৰ বিধানসভা সমষ্টিত ভাভত কংগ্ৰেছ প্ৰাৰ্থী আগবাঢ়ি আছে। মেঘালয়ত শাসনাধিস্থিত এন পি পিৰ প্ৰাৰ্থী উপ নিৰ্বাচন হোৱা একমাত্ৰ সমষ্টি গামবেগ্ৰেত আগবাঢ়ি আছে। পশ্চিমবংগত উপ নিৰ্বাচন হোৱা ৬টা সমষ্টিৰ আটাইকেইটাতে শাসনত থকা তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আগবাঢ়ি আছে। পঞ্জাৱত তিনিখন আসনত শাসনাধিস্থিত আপ আৰু এখনত কংগ্ৰেছ প্ৰাৰ্থী আগবাঢ়ি আছে। ৰাজস্থানত শাসনত থকা বিজেপি তিনিখন আসনত আগবাঢ়ি থকাৰ বিপৰীতে ভাৰত আদিবাসী পাৰ্টী আৰু কংগ্ৰেছ দুখনকৈ আসনত আগবাঢ়ি আছে। কৰ্ণাটকত শাসনত থকা কংগ্ৰেছ ৩খন আসনৰ আটাইকেইখনতে আগবাঢ়ি আছে। কেৰালাত উপ নিৰ্বাচন হোৱা ২টা বিধানসভা সমষ্টিৰ এটাত কংগ্ৰেছ আৰু আনটোত চি পি আই এম আগবাঢ়ি আছে। ছিকিমত দুখন বিধানসভা আসনত থকা এছ কে এমৰ প্ৰাৰ্থী ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বীতাৰে নিৰ্বাচিত হৈছে।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেঞ্জৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

ৰাষ্ট্ৰসংঘৰ বাতৰি আৰু সংবাদ মাধ্যমৰ সঞ্চালক ইয়ান ফিলিপছে কয়, যে তেওঁলোকে একাংশ লোকক লক্ষ্য কৰি শান্তি, মানৱ অধিকাৰ, বহনক্ষম উন্নয়ন, জলবায়ু অথবা লিংগৰ ক্ষেত্ৰত হিন্দী ভাষাত যোগাযোগ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। লগতে তেওঁলোকে এই ভাষাত এটা হোৱাটচএপ চেনেল মুকলি কৰাৰ পৰিকল্পনা কৰিছে। কালি হিন্দী দিৱস উদযাপনত ভাষণ দি তেওঁ কয় যে যিখন পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তাই স্থান লাভ কৰিছে সেইখন পৃথিৱীত ভাৰতৰ উল্লেখযোগ্য ভূমিকা আছে আৰু লাখ লাখ লোকৰ সৈতে যোগাযোগ ৰক্ষা কৰাত হিন্দী ভাষাই বৃহৎ ভূমিকা গ্ৰহণ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰবাসী ভাৰতীয় আৰু অন্যান্য দেশৰ লোকসকলক **ভাৰতক জানো আহক** কুইজত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। সামাজিক মাধমত দিয়া এটা পʼষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই কুইজে ভাৰত আৰু বিশ্বজুৰি বসবাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ মাজত সংযোগ আৰু অধিক গভীৰ কৰি তুলিব। শ্ৰীমোদীয়ে এই কুইজক ভাৰতৰ চহকী ঐতিহ্য আৰু প্ৰাণৱন্ত সংস্কৃতিক পুনৰ আৱিস্কাৰ কৰাৰ ক্ষেত্ৰত এটা যুগান্তকাৰী দিশ বুলি উল্লেখ কৰে। এই কুইজৰ বিজয়ীসকলেও ভাৰতৰ বিস্ময়সমূহৰ অভিজ্ঞতা লাভ কৰিবলৈ সুন্দৰ সুযোগ পাব বুলি শ্ৰীমোদীয়ে লগতে কয়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅʼত থকা আলোচকসকলৰ সৈতে যুক্ত হʼব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হʼব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হʼব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আৰ্মেনিয়াৰ য়েৰেভেনত অনুষ্ঠিত বিশ্ব সামৰিক মল্লযুঁজ প্ৰতিযোগিতাৰ মহিলাৰ ৭৬ কিলোগ্ৰাম শাখাত ভাৰতৰ ঋতিকা হুদাই কালি সোণৰ পদক লাভ কৰে। এই পদক লাভ কৰা তেওঁ হৈছে ভাৰতৰ দ্বিতীয়গৰাকী মহিলা

খেলুৱৈ। প্ৰতিযোগিতাৰ .মহিলাৰ ৬৮ কিলোগ্ৰাম শাখাত ভাৰতৰ প্ৰিয়ংকাই ব্ৰঞ্জৰ পদক লাভ কৰে। আনহাতে ভাৰতৰ জ্যোতি ছিহাগে বৃহস্পতিবাৰে মহিলাৰ ৫৫ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰে।

প্ৰতিযোগিতাখনত ভাৰতে ৩টা সোণৰ, ১টা ৰূপৰ আৰু ৩টা ব্ৰঞ্জসহ মুঠ ৭টা পদক লাভ কৰে। ইয়াৰ পূৰ্বে পুৰুষৰ ৭৪ কিলোগ্ৰাম ফ্ৰিষ্টাইল শাখাত জয়দীপে ভাৰতৰ হৈ সোণৰ পদক লাভ কৰে। ছুবেদাৰ চাৰণে পুৰুষৰ ৭০ কিলোগ্ৰাম ফ্ৰিষ্টাইল ৰূপৰ পদক লাভ কৰে। প্ৰতিযোগিতাত পুৰপুষৰ ৫৭ কিলোগ্ৰাম ফ্ৰিষ্টাইল শাখাত শুভমে আৰু ৭৯ কিলোগ্ৰাম ফ্ৰিষ্টাইল শাখাত চান্দেৰমোহনে ব্ৰঞ্জৰ পদক লাভ কৰে।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফিৰ অষ্ট্ৰেলিয়াৰ পাৰ্থত চলি থকা প্ৰথমখন টেষ্টৰ দ্বিতীয় ইনিংছত ভাৰতে শেহতীয়া খবৰ অনুসৰি ৩৬ অভাৰ ৪ টা বলত এটাও উইকেট নেহেৰুৱাই ৯৮ ৰান কৰি খেলি আছে। ভ্ৰমণকাৰী দলটো ১৪৩ ৰানত আগবাঢ়ি আছে।

ইয়াৰ পূৰ্বে ঘৰুৱা দল অষ্ট্ৰেলিয়াই নিজৰ প্ৰথম ইনিংছত আজি পুৱা আটাইকেইটা উইকেট হেৰুৱাই ১০৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। উইকেটকীপাৰ যশপ্ৰীত বুমৰাহে ভাৰতৰ বলিঙৰ নেতৃত্ব লৈ ৫টা উইকেট দখল কৰাৰ বিপৰীতে হৰ্ষিত ৰাণাই ৩টা উইকেট লাভ কৰে। মহম্মদ চিৰাজে অষ্ট্ৰেলিয়াৰ বাকী দুটা উইকেটৰ পতন ঘটায়।

oooo